**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-03-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ৰ লেপেটকটাৰ ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ প্ৰকল্প পৰিদৰ্শন কৰে। ড০ শৰ্মাই প্ৰকল্পটোৰ কেন্দ্ৰীয় কক্ষ, পণ্যাগাৰ আৰু উৎপাদন স্থলী পৰিদৰ্শন কৰাৰ পাছত প্ৰতিষ্ঠানটোৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ ইয়াৰ শেহতীয়া কামকাজ, উন্নয়ন তথা ভৱিষ্যত পৰিকল্পনা, প্ৰতিষ্ঠানটোৱে সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধানকে ধৰি কেইবাটাও বিষয়ত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে কালি জিলাখনত থকা মুখ্যমন্ত্ৰীৰ সচিবালয়ত পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি ধেমাজি আৰু ঢকুৱাখনা সমষ্টিৰ কেইবাটাও ক্ষেত্ৰৰ উন্নয়নৰ বুজ লয়। ড০ শৰ্মাই পূৰ্বৰ মন্ত্ৰীসভাৰ বৈঠকত কৰা ধেমাজি কেন্দ্ৰিক ঘোষণাসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে জিলাখনত বান পৰিস্থিতি আৰু আন্তঃৰাজ্যিক সীমা সমস্যা সমাধানৰ বাবেও প্ৰয়োজনীয় নিৰ্দেশ দিয়ে। জিলাখনত সীমা সমস্যা থকা দহখন গাঁৱৰ ভিতৰত ৭ খনৰ সমস্যা সমাধান হৈছে আৰু ৩ খনৰ সমস্যা সমাধানৰ বাবে শীঘ্ৰেই চুবুৰীয়া ৰাজ্যৰ মুখ্যমন্ত্ৰী পৰ্যায়ত আলোচনা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে ঢকুৱাখনা সমষ্টিৰ পথ উন্নয়ন আৰু কৃষি তথা স্বাস্থ্যকে ধৰি বিভিন্ন ক্ষেত্ৰৰ উন্নয়নমূলক আঁচনি ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০০

উত্তৰ-পূবৰ ৰাজ্যসমূহৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰা বিশ্বনাথৰ পাভৈ মীন পামখন কালি অৰুণাচল প্ৰদেশৰ কেবিনেট মন্ত্ৰী গেব্ৰিয়েল ডেন ৱাংচুৱে পৰিদৰ্শন কৰে। পামখন পৰিদৰ্শন কৰি ৰাজ্যখনৰ মীন, কৃষি, পশুপালন আৰু দুগ্ধ বিভাগৰ মন্ত্ৰী ৱাংচুৱে পামখনত অৰুণাচলৰ প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ লগতে ইয়াৰ কাম-কাজৰ প্ৰশংসা কৰে। উল্লেখযোগ্য যে শেহতীয়াকৈ অৰুণাচল প্ৰদেশ চৰকাৰে পাভৈ মীন পামত মীন পালনৰ প্ৰশিক্ষণৰ বাবে এটা উৎসাহী মীন পালকৰ দল প্ৰেৰণ কৰিছে। কালি মন্ত্ৰীগৰাকীয়ে পামখন পৰিদৰ্শন কৰি অসমৰ লগতে অৰুণাচল আৰু উত্তৰ-পূবৰ অন্য ৰাজ্যসমূহে মীন পালনৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ প্ৰয়াস কৰিব লাগে বুলি মন্তব্য কৰে। অৰুণাচলৰ প্ৰশিক্ষাৰ্থীসকলে এই পামখনলৈ প্ৰশিক্ষণলৈ আহি উপকৃত হোৱা বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

মন্ত্ৰী পীযুষ হাজৰিকাই কালি তিনিচুকীয়া জিলাৰ হলৌ ক্ষেত্ৰ বাৰেকুৰিত উপস্থিত হৈ বিলুপ্ত প্ৰায় হলৌ বান্দৰৰ সংৰক্ষণ কাৰ্যৰ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে বাৰেকুৰিবাসীয়ে প্ৰকৃতি আৰু জীৱ-জন্তুৰ প্ৰতি প্ৰদৰ্শন কৰা দায়বদ্ধতাৰ অনন্য নিদৰ্শনৰ উল্লেখ কৰি ৰাজ্যৰ অন্যান্য অঞ্চলসমূহতো ৰাইজক এনে আদৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বাৰেকুৰি হলৌ ক্ষেত্ৰৰ বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাতত প্ৰকাশ কৰাৰ পাছত অসম চৰকাৰে অঞ্চলটোৰ ৰাইজক অসম গৌৰৱ সন্মানেৰে বিভূষিত কৰিছে। মন্ত্ৰী শ্ৰী হাজৰিকাই মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ জৰিয়তে অঞ্চলটোৰ উন্নয়নৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়েও ভ্ৰমণ কালত সদৰি কৰে।

০০০০০০

ৰাজ্য চৰকাৰে চলিত বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে পালন কৰাৰ পৰিপ্ৰেক্ষিতত নৰ্থ লখিমপুৰ কলেজত অসমীয়া বিভাগৰ উদ্যোগত **অসমীয়া কিতাপৰ ইতিহাস** শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হৈছে। কালি মহাবিদ্যালয়খনত চলি থকা গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি অসম সাহিত্য সভাৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড০ মহেশ্বৰ নেওগ অসম তত্ত্ব গৱেষণা সংস্থাৰ সহযোগত আয়োজিত দুদিনীয়া আলোচনা চক্ৰখনৰ উদ্বোধনী অনুষ্ঠান অসমীয়া বিভাগৰ মুৰব্বী ড০ অৰবিন্দ ৰাজখোৱাই আগবঢ়ায়। বিশিষ্ট লেখক-অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীয়ে ঊনবিংশ আৰু বিংশ শতিকাৰ কিতাপে অসমৰ নৱজাগৰণত আগবঢ়োৱা অৰিহণা সম্পৰ্কে বিশদভাৱে আলোচনা কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অসমীয়া গ্ৰামোফোনৰ ইতিহাস সম্পৰ্কেও বহু কথা তথ্যসহ উপস্থাপন কৰে।

০০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সংস্থা ষ্টেডিয়ামে টেষ্ট মেচ আয়োজনৰ যোগ্যতা লাভ কৰিছে। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলৰ পূৰ্বে কালি অনুষ্ঠিত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ সভাত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ আসন্ন টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল গুৱাহাটীত আয়োজন কৰাৰ সিদ্ধান্ত লোৱা হয়।

০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত যোৱা ১৭ মাৰ্চৰ পৰা অনুষ্ঠিত কণিধান খেতিৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি পৰিছে। এই প্ৰশিক্ষণত আধুনিক পদ্ধতিৰে কণিধান খেতিৰ কাৰিকৰী দিশ, প্ৰসংস্কৰণ, বজাৰৰ চাহিদা সৃষ্টিকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষাৰ্থীসকলক অৱগত কৰোৱা হয়। তদুপৰি ২০ গৰাকী প্ৰশিক্ষাৰ্থীৰ মাজত কণিধানৰ পৰা খাদ্য-সামগ্ৰী প্ৰস্তুতকৰণ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত শান্তি চেত্ৰীয়ে প্ৰথম স্থান লাভ কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ মাইজানৰ নগাঘূলীত কালি জিঅ' বেগৰ পলস খনন কৰি থকা অৱস্থাত এজন শ্ৰমিকৰ মৃত্যু হয়। ব্ৰহ্মপুত্ৰৰ পলস খান্দি গৰাখহনীয়া প্ৰতিৰোধৰ কামত নিয়োজিত শ্ৰমিকজনৰ ওপৰত মাটি খহি পৰাত তেওঁৰ থিতাতে মৃত্যু হয়। ৰহমৰীয়া গৰপৰা গাঁৱৰ ৰাজীৱ বৰুৱা নামৰ মৃত শ্ৰমিকজনৰ লগত হৃদয়ানন্দ কোঁৱৰ নামৰ আন এজন শ্ৰমিক গুৰুতৰভাৱে আহত হৈ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে।

০০০০০০

সমাপ্ত